জনসংযোগ, অসম
প্ৰেছ বাৰ্তা নং ঃ ১৬৬

# তথ্য আৰু জনসংযোগ সঞ্চালকালয়ত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দিছপুৰ, ২০** জুন ঃ সমগ্ৰ অসমৰ লগতে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগতো আজি ৰাভা দিৱস উদ্‌যাপন কৰা হয়। সঞ্চালকালয়ৰ সাংস্কৃতিক শাখাৰ সহযোগত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচীত প্ৰথমে বন্তি প্ৰজ্জ্বলন কৰি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পনেৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সাংস্কৃতিক শাখাৰ দায়িত্বত থকা উপ-সঞ্চালক দেৱপ্ৰসাদ দেউৰীয়ে আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ মুখ্য অতিথিৰ আসন অলংকৃত কৰি তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক বিষ্ণু কমল বৰাই কয় যে ক্ষণজন্মা শিল্পীগৰাকীয়ে ৬০ বছৰীয়া জীৱনকালত অসমীয়া জাতীয় জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰলৈ অৰিহণা আগবঢ়াই গৈছে। এগৰাকী গীতিকাৰ, সুৰকাৰ, অভিনেতা, পৰিচালক, চিত্ৰশিল্পী, গায়ক, সুবক্তা হিচাপে খ্যাত ৰাভাৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে নতুন প্ৰজন্মক বিশদভাৱে অৱগত কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে।

জ্যেষ্ঠ তথ্য আৰু জনসংযোগ বিষয়া মঞ্জু ৰাণী ডেকাই আঁত ধৰা অনুষ্ঠানত সাংস্কৃতিক শাখাৰ শিল্পীসকলৰ লগতে সঞ্চালকালয়ৰ অন্যান্য কৰ্মচাৰীসকলে বিষ্ণুপ্ৰসাদ ৰাভা সংগীত পৰিৱেশন কৰাৰ উপৰি তেওঁৰ গীতত নৃত্যও প্ৰদৰ্শন কৰে। সাংস্কৃতিক শাখাৰ অৱসৰী সহকাৰী প্ৰযোজক তথা প্ৰৱন্ধক নৰেন দাসে বিষ্ণু ৰাভা সম্পৰ্কে লিখা কবিতা আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ‘বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি’ৰ আবৃত্তি আছিল আজিৰ সাংস্কৃতিক কাৰ্যসূচীৰ আন দুটি আকৰ্ষণীয় অনুষ্ঠান।

আজিৰ অনুষ্ঠানত অতিৰিক্ত সঞ্চালক প্ৰদীপ ব্ৰহ্ম, যুটীয়া সঞ্চালক দীননাথ লয়িং, উপসঞ্চালক প্ৰমোদ দত্তকে ধৰি সঞ্চালকালয়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

*এম আৰ ডি/ ২০-০৬-২০২২*